Date:
Page No.

অসমীয়া খবৰ- ২/৮/১৫

### কোকৰাঝাৰত ভুৱা প্ৰমাণপত্ৰৰে এনআৰচিৰ প্ৰ-পত্ৰ দাখিল, আটক ২

# মৰিগাঁৱত জন্মৰ ২০ হেজাৰ প্ৰমাণপত্ৰৰ কেলেংকাৰী, উপায়ুক্তৰ কাৰ্যালয়তে বেহা

ষ্টাফ ৰিপ'ৰ্টাৰ, মৰিগাঁও, ১ আগষ্ট ঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে এক দেশদ্ৰোহী অসৎ দালাল চক্ৰই মৰিগাঁও জিলাত ভুৱা জন্মৰ প্ৰমাণপত্ৰৰ ৰমৰমীয়া বেহা চলোৱাৰ লগতে মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ ছীল-মোহৰৰ লগতে এগৰাকী কাৰ্যবাহী দণ্ডাধীশৰ চহী জালিয়াতি কৰি এক ভয়ংকৰ কেলেংকাৰী সংঘটিত কৰাৰ তথ্য

*শেষাংশ ৬ পৃষ্ঠাত*

## মৰিগাঁৱত জন্মৰ ২০ হেজাৰ প্ৰমাণপত্ৰৰ কেলেংকাৰী

সম্প্ৰতি পোহৰলৈ অহাত সমগ্ৰ জিলাখনতে তীব্ৰ জোকাৰণিৰ সৃষ্টি হৈছে। জনা মতে এই দালাল চক্ৰটোৱে জিলাখনৰ বিভিন্ন স্থানত ২০ হেজাৰতকৈয়ো অধিক ভুৱা জন্মৰ প্ৰমাণপত্ৰৰ ব্যৱসায় চলোৱাৰ তথ্য পোহৰলৈ আহিছে। ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰ বাবে গাঁওবুঢ়াৰ প্ৰমাণপত্ৰ, গাঁও পঞ্চায়তৰ প্ৰমাণপত্ৰকে ধৰি আনকি জন্মৰ প্ৰমাণপত্ৰও জালিয়াতিৰে প্ৰস্তুত কৰাৰ দৰে দুষ্কাৰ্য সংঘটিত হৈছে জিলাখনত। দালাল চক্ৰই অধিক মুনাফা লুটাৰ সমান্তৰালকৈ ৰাজ্যখনক ভয়াৱহ ভৱিষ্যতৰ দিশে গতি কৰোৱাৰ গভীৰ অভিসন্ধিৰে ভুৱা প্ৰমাণপত্ৰ প্ৰস্তুতৰ ক্ষেত্ৰত মৰিগাঁও জিলা প্ৰশাসনৰ খোদ জিলা উপায়ুক্ত, কাৰ্যালয়ৰ ছীল-মোহৰৰ লগতে কাৰ্যবাহী দণ্ডাদীশ ছাইবুৰ ৰহমানৰ চহী জালিয়াতিৰে দণ্ডাধীশৰ হুকুম পত্ৰ উলিয়াই এনেদৰে ভুৱা জন্মৰ প্ৰমাণপত্ৰৰ বেহা চলাই আহিছে। বিশেষকৈ মৰিগাঁও জিলাৰ লাহৰীঘাট, মৈৰাবাৰী, উদৰি-বাখৰবড়ী, ভূৰাগাঁও, মায়ং অঞ্চলৰ এচাম ব্যক্তিবিশেষৰ হাতে হাতে বৰ্তমান সময়ত উপলব্ধ হোৱা এই ভুৱা জন্মৰ প্ৰমাণপত্ৰৰ ঘটনাই উপায়ুক্ত ৰাকেশ কুমাৰকে ধৰি একাধিক প্ৰশাসনিক বিষয়াক হতচকিত কৰি তুলিছে। ইতিমধ্যে এই ঘটনা পোহৰলৈ অহাত জিলা উপায়ুক্তই দণ্ডাধীশ পৰ্যায়ৰ এক তদন্তৰো নিৰ্দেশ দি অতিৰিক্ত উপায়ুক্ত প্ৰাণজিৎ গগৈক তদন্তৰ দায়িত্ব অৰ্পণ কৰিছে। ইপিনে প্ৰাথমিক তদন্ততে উক্ত ভয়াৱহ জালিয়াতিৰ তথ্য-প্ৰমাণ লাভ কৰাত মৰিগাঁও জিলা উপায়ুক্ত ৰাকেশ কুমাৰে সংশ্লিষ্ট কাৰ্যবাহী দণ্ডাধীশ তথা নিৰ্বাচনী বিষয়া ছাইবাৰ ৰহমানক এজাহাৰ দাখিল কৰিবলৈ নিৰ্দেশ দিয়ে আৰু উক্ত নিৰ্দেশৰ ভিত্তিত কাৰ্যবাহী দণ্ডাধীশ ৰহমানে এম এ আৰ ৫/২০১৫/১৭ দিনাংক- ১৭/৭/২০১৫ চৰকাৰী পত্ৰ মৰ্মে মৰিগাঁও জিলা আৰক্ষী অধীক্ষকৰ ওচৰত এজাহাৰ দাখিল কৰিছে। জানিব পৰা মতে ইমান ভয়ংকৰ ঘটনা সংঘটিত হোৱাৰ পাছত এই গোচৰৰ ক্ষেত্ৰত যিদৰে আগবাঢ়িব লাগিছিল সেয়া নোহোৱাৰ অভিযোগ উঠিছে। মৈৰাবাৰী আৰক্ষীয়ে ভাৰতীয় দণ্ডবিধিৰ ৪১৮/৪১৯/৪৬৮/৪৭১/৪৭২ৰ অধীনত ১৬৭/১৫নং গোচৰ পঞ্জীয়ন কৰিছে যদিও উক্ত অপৰাধী চক্ৰক আজিলৈকে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হোৱা নাই আৰক্ষী। প্ৰাপ্ত অভিযোগ মতে মৈৰাবাৰী আৰু লাহৰীঘাটত ভুৱা জন্মৰ প্ৰমাণপত্ৰৰ ৰমৰমীয়া বেহা চলি থকা সন্দৰ্ভত স্থানীয় আৰক্ষী থানাৰ আৰক্ষী অৱগত যদিও ৰাজনৈতিকভাৱে শক্তিশালী উক্ত জালিয়াতি চক্ৰৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত এই পৰ্যন্ত হোৱা নাই।

### মৰিগাঁও আৰক্ষীয়ে পোহৰলৈ আনিব পাৰিবনে জালিয়াতি চক্ৰক?

মৰিগাঁও জিলা উপায়ুক্ত কাৰ্যালয়ৰ ছীল-মোহৰ, কাৰ্যবাহী দণ্ডাধীশৰ চহী জাল কৰি হেজাৰ হেজাৰ ভুৱা জন্মৰ প্ৰমাণপত্ৰ ইচ্ছু কৰি ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত নাম অন্তৰ্ভুক্তিৰে গভীৰ ষড়যন্ত্ৰত জড়িত উক্ত জালিয়াতি চক্ৰটোক কৰায়ত্ত কৰিবলৈ সমৰ্থ হ'বনে আৰক্ষী অধীক্ষক আইনুল হকৰ নেতৃত্বৰ মৰিগাঁও আৰক্ষী? নে মৰিগাঁও জিলাত সংঘটিত আনবোৰ গুৰুত্বপূৰ্ণ গোচৰৰ দৰে অন্তহীন সাঁথৰত ইয়ো পৰিণত হ'ব? ইয়াকে লৈ প্ৰশ্নৰ উদ্ৰেক হৈছে বিভিন্ন মহলত। কিয়নো খোদ মৰিগাঁও জিলা প্ৰশাসনৰ কাৰ্যবাহী দণ্ডাধীশ ছাইবাৰ ৰহমানে দাখিল কৰা গুৰুত্বপূৰ্ণ গোচৰটোৱেই উচ্চ পৰ্যায়ৰ আৰক্ষী বিষয়াৰ দ্বাৰা তদন্ত কৰি অপৰাধীক কৰায়ত্ত কৰাৰ বিপৰীতে মৰিগাঁও আৰক্ষী অধীক্ষকে মৈৰাবাৰী আৰক্ষীলৈ ঠেলি দিয়াৰ লগতে মৈৰাবাৰী আৰক্ষীৰ ৰহস্যজনক ভূমিকায়ো বহুটো প্ৰশ্নৰ উদ্ৰেক ঘটাইছে।

### কোকৰাঝাৰতো জন্মৰ ভুৱা প্ৰমাণপত্ৰৰে দাখিল এন আৰ চিৰ প্ৰপত্ৰ, দুজন আটক

আমাৰ খবৰ, কোকৰাঝাৰ ঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী চমুকৈ এন আৰ চিক কেন্দ্ৰ কৰি বি টি এ ডিৰ সদৰ কোকৰাঝাৰ জিলাতো জন্মৰ ভুৱা প্ৰমাণপত্ৰৰ ৰমৰমীয়া ব্যৱসায় গঢ়ি উঠিছে। অৱশ্যে দুৰ্নীতিত লিপ্ত কিছুসংখ্যক চৰকাৰী কৰ্মচাৰীৰ সহযোগত এচাম দালাল চক্ৰই জিলাখনৰ বিভিন্ন প্ৰান্তত জন্মৰ ভুৱা প্ৰমাণপত্ৰৰ এনে বেহা চলাই অহাৰ সময়তে কালি নিশা আৰক্ষীয়ে জিলাখনৰ ঘোঁৰামাৰা গাঁৱৰ পৰা জন্মৰ ভুৱা প্ৰমাণপত্ৰ ব্যৱসায়ৰে জড়িত তথা জন্মৰ ভুৱা প্ৰমাণপত্ৰ সংগ্ৰহ কৰা দুজন লোকক আটক কৰে। আটকাধীন লোক দুজন হ'ল ক্ৰমে ঘোঁৰামাৰা গাঁৱৰ ঝুমুৰ আলী আৰু জহিৰুল ইছলাম। প্ৰাপ্ত বাতৰি মতে এন আৰ চিৰ বাবে প্ৰয়োজন হোৱাত ঘোঁৰামাৰাৰ জহিৰুল ইছলামে নিজৰ দুই পুত্ৰ ক্ৰমে অকিবুল ইছলাম আৰু আলিমুল ইছলামৰ জন্মৰ পত্ৰ উলিয়াবৰ বাবে গাঁওখনৰে ঝুমুৰ আলীৰ সৈতে যোগাযোগ কৰে। জন্মৰ ভুৱা প্ৰমাণপত্ৰ উলিয়াই দিয়াৰ বাবে ঝুমুৰ আলীয়ে জহিৰুল ইছলামৰ পৰা ৮০০ টকা বিচাৰে যদিও জহিৰুলে ঝুমুৰ আলীক ৭৫০ টকা আদায় দিয়ে। পাছত ঝুমুৰ আলীয়ে ইয়াৰ পৰা ১৫০ টকা নিজে ৰখাৰ বিপৰীতে গাঁওখনৰে নিৱাসী তথা জন্মৰ ভুৱা প্ৰমাণপত্ৰৰ ব্যৱসায়েৰে জড়িত হেকমত নামৰ লোক এজনক ৬০০ টকা আদায় দি দুখন জন্মৰ ভুৱা প্ৰমাণপত্ৰ উলিয়াই আনিবলৈ কয়। সেই মৰ্মে হেকমতে যোৱা ১৫ দিনৰ পূৰ্বে জহিৰুল ইছলামৰ দুই পুত্ৰৰ নামত জন্মৰ ভুৱা প্ৰমাণপত্ৰ উলিয়াই আনি ঝুমুৰ আলীক দিয়ে আৰু ঝুমুৰ আলীয়ে জন্মৰ ভুৱা প্ৰমাণপত্ৰ দুখন জহিৰুল ইছলামক যোগান ধৰে। আনহাতে বালাজান খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ ভুৱা ছীল-মোহৰ থকা ভুৱা জন্মৰ প্ৰমাণপত্ৰৰ বিষয়টো সন্দৰ্ভত বালাজান সমূহীয়া স্বাস্থ্যকেন্দ্ৰৰ দায়িত্বত থকা বিষয়া এগৰাকীয়ে কোকৰাঝাৰ সদৰ থানাত এক এজাহাৰ দাখিল কৰে। পাছত উক্ত এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে কালি নিশা ঘোঁৰামাৰাত অভিযান চলাই ঝুমুৰ আলী আৰু জহিৰুল ইছলামক আটক কৰি থানালৈ আনে। সম্প্ৰতি কোকৰাঝাৰ আৰক্ষীৰ জিম্মাত থকা জহিৰুল ইছলামে সংবাদ মাধ্যমৰ আগত স্বীকাৰ কৰা মতে নিজৰ দুই পুত্ৰৰ নামত উলিওৱা জন্মৰ ভুৱা প্ৰমাণপত্ৰৰে তেওঁ নিজৰ তথা পৰিয়ালৰ এন আৰ চি প্ৰপত্ৰ দাখিল কৰিছে।